## করুণা ডেকা আৰু অনুকূল শৰ্মাৰ লুইত কন্যা

কুৰি শতিকাৰ আশী দশকৰ পৰা অসমৰ প্ৰছেনিয়াম মঞ্চত পুৰণি থলুৱা লোককলা, লোকনাট্যৰ আংগিক প্ৰয়োগ কৰি নাটক মঞ্চস্থ কৰাৰ প্ৰচেষ্টা সন্ধলনিকৈ হ'বলৈ ধৰে। ৰাষ্ট্ৰীয় নাট্যবিদ্যালয়ৰ স্নাতক করুণা ডেকা আৰু নাট্যকাৰ অনুকূল শৰ্মাৰ যুটীয়া প্ৰচেষ্টাত ৰচনা কৰা **লুইত কন্যা** নাটকখনত অসমৰ প্ৰাচীন লোকনাট্য ওজাপালিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। বেউলা-লখিন্দৰৰ কিংবদন্তীমূলক আখ্যান ভাগ আমাৰ জনসমাজত পূৰ্বৰে পৰা জনপ্ৰিয় আৰু এই আখ্যানৰ লগত ওজাপালিৰ গুৰুত্বও সদাপৰিচিত। নাট্যকাৰদ্বয়ে পদ্মপুৰাণত সন্নিৱিষ্ট বেউলা-লখিন্দৰৰ আখ্যানভাগক নাট্যৰূপ দিবলৈ গৈ নাটকৰ কাহিনী আৰম্ভ কৰিছে ওজাপালিৰ বন্দনাৰে। আনকি নাটকীয় কাহিনীভাগ ওজাপালি গীতেৰে আগবঢ়াই নিয়াৰ যি প্ৰয়াস, সেয়া সঁচাকৈ প্ৰশংসনীয়। উল্লেখযোগ্য যে, ১৯২৩ চনত সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাই ৰচনা কৰা **বেউলা** নাটকখন পিছলৈ বৰপেটাৰ মিলন মন্দিৰত মঞ্চস্থ হয় আৰু নটৰাজ চিনে থিয়েটাৰে এই নাটকখন কেইবাবছৰো একেৰাহে মঞ্চস্থ কৰি দৰ্শকৰ সমাদৰ লাভ কৰে। **লুইত কন্যা** নাটকখন ১৯৮৪ চনত করুণা ডেকাৰ পৰিচালনাত সংগীত নাটক অকাডেমীয়ে আয়োজন কৰা নাট মহোৎসৱত কলিকতাৰ ৰবীন্দ্ৰ ভৱনত ইতিমধ্যে প্ৰদৰ্শিত হৈছে।

দুজন ব্যক্তিৰ মাজত হোৱা সংঘাতক কেন্দ্ৰ কৰি নাটকখনৰ কাহিনীভাগ আগবাঢ়িছে। নাগনেত্ৰী পদ্মাই চম্পক নগৰৰ অধিপতি চন্দ্ৰধৰ আৰু তেওঁৰ প্ৰজাৰ

পৰা পূজা নোপোৱাতোৱেই আছিল তেওঁৰ পৰম আক্ষেপ আৰু প্ৰতিহিংসাৰ কাৰণ। কন্যা পদ্মাক মহাদেৱে প্ৰথমতে চিনি পোৱা নাছিল। ইপিনে মহাদেৱৰ ঘামৰ পৰা নেতাৰ উৎপত্তি হ'ল। সম্পৰ্কত নেতা আৰু পদ্মা দুয়ো বাই-ভনী। অষ্টবক্ৰৰ দ্বাৰা অভিশপ্ত হৈ নেতাই দেৱতাসকলৰ বস্ত্ৰ ধুই দিবলগীয়া হৈছিল। ইফালে পদ্মাৰ ক্ষমতা দিনক দিনে বাঢ়ি যোৱা দেখি পাৰ্বতী ঈৰ্ষান্বিত হৈ কেনেকৈ পদ্মাক বিনাশ কৰিব পাৰে তাৰ উপায় বিচাৰিবলৈ ধৰে। দেৱী পাৰ্বতীয়ে চন্দ্ৰধৰৰ ওচৰলৈ আহি হেমতাল আৰু সঞ্জীৱনী মহাজ্ঞান প্ৰদান কৰি চন্দ্ৰক পদ্মাৰ বিৰুদ্ধে থিয় হ'বলৈ উদ্‌গনি যোগায়। এই কথা গম পাই পদ্মা ক্ৰোধান্বিত হ'ল আৰু জ্যেষ্ঠ ভগ্নী নেতাৰ পৰামৰ্শ মতে চন্দ্ৰধৰক নিপাত কৰিবলৈ উঠি পৰি লাগিল। ছদ্মবেশ ধাৰণ কৰি পদ্মাই পাৰ্বতী প্ৰদত্ত মহাজ্ঞান হস্তগত কৰি চন্দ্ৰধৰৰ ছয়পুত্ৰক মৃত্যুৰ মুখলৈ ঠেলি দিলে। অকল ইমানতে ক্ষান্ত নাথাকি পদ্মাই চন্দ্ৰধৰক বিনাশ কৰিবলৈ বণিজৰ পৰা ঘূৰি আহোঁতে চন্দ্ৰধৰৰ চৈধ্যখন ডিঙা, ধন-জন, সহস্ৰ কাণ্ডাৰী সকলো সমুদ্ৰত বুৰাই পেলালে। প্ৰতিহিংসা পূৰণৰ পৰম তৃপ্তিত পদ্মাই চিঞৰি চিঞৰি ক'লে —

পদ্মা ঃ হেৰৌ চন্দ্ৰধৰ পালিনে মজা।  
এতিয়াও কৈছো দে মোক পূজা।।  
মোক পূজিলে ঘূৰাই পাবি ধন-জন।  
পাৰ্বতীক এৰি কৰ মোৰেই পূজন।।

— *লুইত কন্যা,* প্ৰথম অংক, পৃষ্ঠা নং ৭২

চন্দ্ৰধৰ নিজৰ স্থিতিত অলৰ-অচৰ। তেওঁ কোনোপধ্যে পদ্মাক পূজা নকৰে। ইতিমধ্যে শাপভ্ৰষ্ট হৈ বেউলা আৰু লখিন্দৰৰ পৃথিৱীত জন্ম হ'ল। এদিন চন্দ্ৰধৰে উজনিৰ বণিজলৈ যাওঁতে সাহেৰ জীয়ৰী বেউলাক দেখা পায় আৰু বোৱাৰী কৰি চম্পক নগৰলৈ আনে। কিন্তু পদ্মাৰ কু-চক্ৰান্তত ফুলশয্যাৰ নিশাই মেৰঘৰৰ ভিতৰত সৰ্প দংশনত বেউলাৰ স্বামী লখিন্দৰৰ মৃত্যু হ'ল। স্বামীৰ মৃত্যুত উদ্বাউল বেউলাই ভোৰ সাজি লুইতৰ বুকুত উজাই যাত্ৰা কৰিলে। বাটত নেতাই ধুবুনীক লগ পাই বেউলাই তেওঁৰ সহায় ভিক্ষা মাগিলে আৰু নেতাই বেউলাক কৈলাশপুৰলৈ লৈ গ'ল। তাতে মহাদেৱে বেউলাক উপদেশ দিলে এইদৰে —

মহাদেৱ ঃ লখিন্দৰৰ জীৱন আছে পদ্মাৰ হাতত।  
দিলে দিব পাৰে তাই আমাৰ অনুৰোধত।।  
উষাবিনে ইন্দ্ৰসভা হৈছে বৰ ম্লান।



নাচি নাচি জুৰাব লাগিব তুমি দেৱতাৰ প্ৰাণ।।  
হয় যদি সন্তুষ্ট সমস্ত দেৱগণ।  
পদ্মাই দিব পাৰে লখিন্দৰৰ জীৱন।

— *লুইত কন্যা,* তৃতীয় অংক, পৃষ্ঠা নং ৮৩

বেউলাই স্বৰ্গলৈ গৈ ইন্দ্ৰৰ সভাত দেওধনী নৃত্যৰে সকলোকে মুগ্ধ কৰি স্বামীৰ প্ৰাণ ভিক্ষা খুজিলে। কিন্তু ইন্দ্ৰই লখিন্দৰক জীয়াই তোলাৰ শক্তি কেৱল দেৱী পদ্মাৰ হাততহে আছে বুলি কোৱাত বেউলাই পদ্মাক কৰযোৰে মিনতি কৰে। অৱশেষত পদ্মাই চৰ্ত সাপেক্ষে মান্তি হ'ল। চৰ্ত অনুযায়ী বেউলাই পদ্মাৰ শহুৰেক চন্দ্ৰধৰৰ পৰা পূজা আদায় দিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। কথা মতেই কাম। বেউলাই দিয়া কথাত সন্তুষ্ট হৈ পদ্মাই লখিন্দৰৰ জীৱন দান দিয়াৰ লগতে চন্দ্ৰধৰৰ ছয়পুত্ৰ, চৈধ্যখন ডিঙাসহ সকলো ঘূৰাই দি চম্পক নগৰলৈ পঠিয়াই দিলে।

প্ৰথমতে চন্দ্ৰধৰে দেৱী পদ্মাক পূজা-অৰ্চনা কৰিবলৈ মান্তি হোৱা নাছিল যদিও পিছলৈ বেউলাৰ কাতৰ অনুৰোধ আৰু পত্নী সনেকাৰ বুজনিত বাঁওহাতেৰে পদ্মাৰ পূজাৰ নামত বেলপাত এটি অৰ্পণ কৰিলে। ইয়াৰ পিছতে বেউলা আৰু লখিন্দৰ যে স্বৰ্গৰ উষা-অনিৰুদ্ধ সেই কথা নেতা আৰু পদ্মাই তেওঁলোকক অৱগত কৰে। লগতে তেওঁলোকক স্বৰ্গলৈ যাবলৈ উপদেশ দিয়ে। কিন্তু তেওঁলোকে স্বৰ্গলৈ ঘূৰি যোৱাৰ পৰিৱৰ্তে লুইতৰ পাৰৰ এই পৃথিৱীতে দিন অতিবাহিত কৰাৰ সিদ্ধান্ত লয়।

**লুইত কন্যা** নাটকখনত আমি কেইবাটাও পুৰুষ চৰিত্ৰ দেখিবলৈ পাওঁ। তেনে এক চৰিত্ৰ হৈছে মহাদেৱ। ত্ৰিজগত পতি মহাদেৱ পদ্মা আৰু নেতাৰ পিতৃ। নাটকখনত মহাদেৱৰ চৰিত্ৰটোৱে বৰ বিশেষ গুৰুত্ব লাভ কৰা নাই। তথাপি লখিন্দৰৰ জীৱন দান কৰাৰ ক্ষেত্ৰত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। দেৱাদিদেৱ মহাদেৱ চঞ্চল যৌৱনৰ অধিকাৰী। তেওঁৰ ঘাম আৰু বীৰ্যৰ পৰাই নেতা আৰু পদ্মাৰ জন্ম হয়। আনহাতে পদ্মাৰ প্ৰতি কামাতুৰ হোৱা চিত্ৰই চৰিত্ৰটিৰ ঐশ্বৰিক গৰিমা হ্ৰাস কৰিছে। নাট্যকাৰে মহাদেৱক নাটকখনত এজন দায়িত্বশীল পিতৃ হিচাপে অংকন কৰিছে। পিতৃ মহাদেৱৰ প্ৰচেষ্টাত জৰুৎকাৰু মুনিৰ সৈতে পদ্মাৰ বিবাহ সম্পন্ন হয়।

চন্দ্ৰধৰ নাটকখনৰ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ। বেউলাৰ শহুৰেক, লখিন্দৰৰ দেউতাক চন্দ্ৰধৰ অত্যন্ত সাহসী, জেদী আৰু নিজৰ স্থিতিৰ পৰা লৰ-চৰ হ'ব নিবিচাৰা ব্যক্তি। চন্দ্ৰধৰ পাৰ্বতী ভক্ত, তেওঁ কোনোপধ্যে পদ্মাক পূজা নকৰে। তাৰ ফলত নাটকখনত সংঘাত আৰম্ভ হৈছে। এই সংঘাতৰ পৰিণতিতে চন্দ্ৰধৰে লখিন্দৰৰ উপৰি ছয়পুত্ৰৰ

লগতে চৈধ্যখন ডিঙা আৰু ধন-সোণ সকলো হেৰুৱাব লগীয়া হয়। তথাপি নিজৰ স্থিতিৰ পৰা আঁতৰি আহিব নোখোজা চন্দ্ৰধৰে শেষত উপায়ন্তৰ হৈ মৰমৰ বোৱাৰী বেউলা আৰু পত্নী সনেকাৰ বুজনিত বাঁওহাতেৰে বেলপাত এটা দি দেৱীৰ কৃপা দৃষ্টি লাভ কৰে। চন্দ্ৰধৰ নাটকখনৰ এটি আকৰ্ষণীয় চৰিত্ৰ। যিয়ে নাটকীয় কাহিনীক গতি প্ৰদান কৰিছে।

**লুইত কন্যা** নাটকখনৰ কাহিনীভাগ লখিন্দৰক কেন্দ্ৰ কৰিয়েই আগবাঢ়ে; অথচ নাটকখনত এই চৰিত্ৰটিৰ ভূমিকা তেনেই নগণ্য। লখিন্দৰ চন্দ্ৰ সদাগৰৰ সপ্তম পুত্ৰ। ৰজা চন্দ্ৰধৰে মৰমৰ পুত্ৰ লখিন্দৰৰ কাৰণে সাহে ৰজাৰ কন্যা বেউলাক বোৱাৰী ৰূপত পছন্দ কৰি পুতেকলৈ বিয়া পাতি আনে। কিন্তু দেৱী পদ্মাৰ কু-চক্ৰান্তৰ বলি হৈ ফুলশয্যাৰ নিশাই লখিন্দৰৰ মৃত্যু হ'ল। বিবাহৰ নিশাই বিধবা হোৱা বেউলাই স্বৰ্গত গৈ দেৱতাসকলক নৃত্যৰে মন জয় কৰাৰ উপৰি দেৱী পদ্মাৰ অনুকম্পাত স্বামীৰ হেৰুৱা জীৱন পুনৰ ঘূৰাই পালে। নাট্যকাৰে বেউলা-লখিন্দৰৰ পূৰ্ব জন্মৰ কাহিনী এটিও নাটকখনত সংযোজন কৰিছে। প্ৰকৃততে শাপভ্ৰষ্ট হৈ পৃথিৱীত জন্ম লাভ কৰা বেউলা-লখিন্দৰ আছিল সৰগৰ সংগীত তথা নৃত্য বিশাৰদ উষা-অনিৰুদ্ধ।

প্ৰাচীন ভাৰতীয় কাব্য কাহিনীত থকাৰ দৰে **লুইত কন্যা** নাটকখনতো ইন্দ্ৰ প্ৰমোদ বিলাসী। তেওঁৰ সুখত ব্যাঘাত জন্মিলেই দেৱগণ শাস্তিৰ সন্মুখীন হয়। তেনেকৈ এদিন সৰগৰ উষা-অনিৰুদ্ধই নৃত্যৰ ছন্দ ভংগ হোৱাৰ অপৰাধত শাস্তিৰ সন্মুখীন হ'ল। বিতুষ্ট ইন্দ্ৰই ক'লে —

ইন্দ্ৰ ঃ উষা-অনিৰুদ্ধ। তোমালোক সৰগৰ শ্ৰেষ্ঠ বিদ্যাধৰ
কি কাৰণে পতন হ'ল মনোহৰ নৃত্য ছন্দৰ।
কদাপি নেযায় কৰা সহ্য এই অপৰাধ
মৰতলৈ যোৱা দুয়ো দিলো অভিশাপ।।

— *লুইত কন্যা,* প্ৰথম অংক, পৃষ্ঠা নং ৭৩

আকৌ তৃতীয় অংকৰ শেষৰ ফালে ইন্দ্ৰক আমি দেখিবলৈ পাওঁ এজন সহৃদয়শীল ব্যক্তি হিচাপে। তেওঁ বেউলাৰ সুন্দৰ নৃত্যত সন্তুষ্ট হৈ কৈছে —

ইন্দ্ৰ ঃ তোমাৰ নৃত্যত আমি সকলো সন্তুষ্ট।
কি বৰ দি তোমাক কৰো তুষ্ট?

— *লুইত কন্যা,* তৃতীয় অংক, পৃষ্ঠা নং ৮৩

শেষত ইন্দ্ৰৰ অনুৰোধত পদ্মাই চৰ্ত সাপেক্ষে লখিন্দৰক জীয়াই তুলিবলৈ



মান্তি হ'ল।

বিশ্বস্ত ব্যক্তি হোৱাৰ বাবে কেশাক চন্দ্ৰধৰে ছিদ্ৰহীন দুৰ্ভেদ্য মেৰঘৰ সাজিবলৈ দায়িত্ব দিছিল। কিন্তু কেশাই সেই বিশ্বাস ৰাখিব নোৱাৰিলে। পদ্মাৰ ভয়ত তেওঁ মেৰঘৰত এটি সৰু ছিদ্ৰ ৰাখি তাত সেন্দূৰৰ ফোঁট দি থৈছিল। সেই ছিদ্ৰৰে কাল নাগে প্ৰৱেশ কৰি ফুলশয্যা নিশা লখিন্দৰক দংশন কৰিলে। নাটকখনত কেশা এজন বিশ্বাসঘাতক, ভয়াতুৰ ব্যক্তি ৰূপে চিত্ৰিত হৈছে।

অনিৰুদ্ধৰ চৰিত্ৰটো নাটকখনত তেনেই সীমিত। স্বৰ্গচ্যুত অনিৰুদ্ধই পূৰ্বতে ইন্দ্ৰলোকত দেৱতাসকলক নৃত্যৰে মন-প্ৰাণ জোৰাইছিল। এনেকৈ এদিন অন্যমনস্ক অনিৰুদ্ধৰ নৃত্যৰ ছন্দ পতন হোৱাত ইন্দ্ৰই তেওঁক অভিশাপ দিলে। শাপভ্ৰষ্ট অনিৰুদ্ধই সনেকাৰ গৰ্ভজাত সন্তান লখিন্দৰ ৰূপে পৃথিৱীত জন্ম গ্ৰহণ কৰে।

মহাদেৱৰ জীয়ৰী পদ্মা জেদী, অহংকাৰী, প্ৰতিশোধ পৰায়ণা। পদ্মাই নিজৰ কাৰ্য সিদ্ধিৰ বাবে যিকোনো কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে। পদ্মাই চন্দ্ৰধৰৰ ৰাজ্যত সকলো প্ৰজাৰ পৰা পূজা আৰু সন্মান বিচাৰে। কিন্তু পাৰ্বতী ভক্ত চন্দ্ৰধৰে এই কথা মানি ল'ব নিবিচৰাত তেওঁৰ ছয়জন পুত্ৰক কাঢ়ি নিয়াই নহয় বণিজৰ পৰা উভতি আহোঁতে চৈধ্যখন ডিঙা আৰু অজস্ৰ ধন-সোণ সমুদ্ৰত বুৰাই পেলালে। অৱশ্যে নাটকখনৰ শেষত আমি দেৱী পদ্মাৰ দয়ালু ৰূপ এটি দেখিবলৈ পাওঁ। তেওঁ বেউলাৰ দুখত দুঃখিত হৈ চৰ্ত সাপেক্ষে লখিন্দৰৰ উপৰি চন্দ্ৰধৰৰ ছয়পুত্ৰক জীয়াই তুলিবলৈ মান্তি হয়। নাটকখনত পদ্মা এগৰাকী আকৰ্ষণীয় চৰিত্ৰ। প্ৰকৃততে পদ্মাই কৰা কাৰ্যৰ মাজেৰে নাটকখনত সংঘাত তীব্ৰতৰ হৈছে। দৰ্শকক আকৰ্ষণ কৰিব পৰা প্ৰায় সকলোবিলাক গুণ দেৱী পদ্মাৰ চৰিত্ৰটোত সন্নিৱিষ্ট কৰা হৈছে।

অষ্টবক্ৰৰ দ্বাৰা অভিশপ্ত হৈ নেতাই দেৱতাসকলৰ কাপোৰ ধোৱা ধুবুনীৰ কাম কৰিবলগীয়া হয়। নেতা পদ্মাৰ বায়েক, বিপদৰ মুহূৰ্তত তেওঁ পদে-পদে ভনীয়েক পদ্মাক সহায় কৰে। পদ্মাক সহায় কৰিবলৈ গৈ নেতাই নিজৰ পৰিচয় গোপনে ৰাখি উগ্ৰতপা মুনিৰ লগত বিবাহ পাশত আবদ্ধ হয় আৰু ধনঞ্জয় নামৰ এটি পুত্ৰ সন্তানক জন্ম দিয়ে। পিছত মুনিয়ে নেতাৰ প্ৰকৃত পৰিচয় জানিব পাৰি তেওঁক পৰিত্যাগ কৰে আৰু পদ্মাকো অভিশাপ দিয়ে। নেতাৰ বাবেই পদ্মাই চন্দ্ৰধৰৰ মহাজ্ঞান হৰণ কৰিব পাৰিছিল। চন্দ্ৰধৰৰ পুত্ৰ নিধনৰ ক্ষেত্ৰতো নেতাই পদ্মাক সহায় কৰিছিল। এই কাৰ্যসমূহ বিশ্লেষণ কৰিলে নেতা এগৰাকী স্বাৰ্থপৰ আৰু হিংসুক স্বভাৱৰ নাৰী বুলি ধাৰণা হয়। কিন্তু তেওঁক প্ৰকৃততে হিংসুক নাৰী বুলিও ক'ব নোৱাৰি। মৃত স্বামীক লগত লৈ

লুইতেৰে উজাই যোৱা বেউলাক লখিন্দৰৰ হেৰুৱা জীৱন প্ৰাপ্তিৰ ক্ষেত্ৰত নেতাই সহায়ৰ হাত আগবঢ়াই আৰু বেউলাক কৈলাশলৈ লৈ যায়। অন্য প্ৰকাৰে ক'বলৈ গ'লে নেতাৰ এই মহৎ প্ৰচেষ্টাৰ বাবেই লখিন্দৰৰ জীৱন প্ৰাপ্তি সহজ হৈছিল।

সনেকা চন্দ্ৰধৰৰ পত্নী, এগৰাকী ধৈৰ্যশীলা মাতৃ। জীৱনলৈ নামি অহা নানা দুখ-যাতনাৰ পিছতো তেওঁ একেবাৰে ভাঙি পৰা নাই। স্বামীৰ দম্ভ-অহংকাৰৰ বাবে তেওঁ সাত পুত্ৰক হেৰুৱাৰ মৰ্ম বেদনাত পাৰ্বতীক দোষাৰোপ কৰি কৈছে —

সনেকা ঃ দুই ম'হৰ যুঁজ লাগে মাজতে বিৰিণা মৰে।
মহাভক্ত সদাগৰ মাতি আনা পাৰ্বতীক
জীয়াতুক মোৰ আঁচলৰ নিধি নয়নমণিক।
সাতো পুত্ৰ মৰি গ'ল, চৈধ্য ডিঙা বুৰি গ'ল।
তথাপি কিয় পাৰ্বতী নীৰৱে ৰ'ল।

— *লুইত কন্যা*, তৃতীয় অংক, পৃষ্ঠা নং ৮৬

চন্দ্ৰধৰৰ জেদী স্বভাৱটোৰ বাবেই তেওঁলোকৰ জীৱনলৈ দুৰ্যোগ নামি অহাৰ কথা জানিও স্বামীক কঠোৰভাৱে কৰ্কথনা কৰা নাই। শেষত সনেকা আৰু বেউলাৰ বুজনিতে চন্দ্ৰধৰে পদ্মাক বেলপাত দিবলৈ সন্মত হ'ল।

পাৰ্বতী দেৱাদিদেৱ মহাদেৱৰ পত্নী। অথচ নাটকখনত তেওঁৰ ঐশ্বৰিক গুণ-গৰিমা আৰু গাম্ভীৰ্য আমি দেখিবলৈ নাপাওঁ। পাৰ্বতীক পূজা লাগে-ভক্ত লাগে। নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ যাওঁতে মহাদেৱৰ কন্যা পদ্মাৰ লগত প্ৰতিদ্বন্দ্বিতাত নামিছে। প্ৰকৃতাৰ্থত পদ্মা আৰু পাৰ্বতীৰ প্ৰতিদ্বন্দ্বিতাৰ বাবে চন্দ্ৰধৰৰ জীৱনলৈ দুৰ্যোগ নামি আহে। সৰ্পনেত্ৰী পদ্মাক পূজা নিদিবলৈ চন্দ্ৰধৰক আদেশ দিয়া কাৰ্যৰ পৰাই পাৰ্বতীৰ ঈৰ্ষা পৰায়ণা ৰূপ এটি ফুটি উঠিছে।

**লুইত কন্যা** নাটকখনৰ কাহিনী পৌৰাণিক। পদ্মপুৰাণৰ অন্তৰ্গত বেউলা-লখিন্দৰৰ কাহিনীটো পৌৰাণিক হোৱা কাৰণে অলৌকিক, আমাৰ বাস্তৱ জগতৰ পৰা দূৰত। গতিকে এনে এখন জগতৰ কথা কল্পনা কৰিবলৈ যাওঁতে নাট্যকাৰে নাটকখনত ছন্দোবদ্ধ সংলাপ ব্যৱহাৰ কৰিছে। এখন নাটকক চৰিত্ৰই গতিশীলতা দান কৰাৰ লগতে সংলাপে চৰিত্ৰক প্ৰাণৱন্ত কৰি তোলে। নাটকৰ দুৰ্বল সংলাপে চৰিত্ৰৰ বিকাশত বাধাৰ সৃষ্টি কৰে। **লুইত কন্যা** নাটকখনত সংলাপ যথোপযুক্ত। প্ৰতিশোধ পৰায়ণা পাৰ্বতীৰ চাৰিত্ৰিক বৈশিষ্ট্য ফুটাই তুলিবৰ বাবে নাট্যকাৰে তেওঁৰ মুখত এনেধৰণৰ সংলাপ দিছে —



পাৰ্বতী ঃ হ'ব যদি তই উপযুক্ত শিষ্য মোৰ
যুঁজিব লাগিব কাণী পদ্মাৰ স'তে দুৰ্ঘোৰ।।

— *লুইত কন্যা*, প্ৰথম অংক, পৃষ্ঠা নং ৬১

আকৌ—

পাৰ্বতী ঃ কেৱল ৰুধিব লাগিব কাণী পদ্মাৰ অভিমান
পূজিব লাগিব তই মোক চিৰদিন-চিৰকাল।
ল এই হেমতাল
শক্তি অপাৰ।।

— *লুইত কন্যা*, প্ৰথম অংক, পৃষ্ঠা নং ৬২

সেইদৰে চন্দ্ৰধৰো এজন পৰম জেদী, নিজৰ স্থিতিত অটল ব্যক্তি। তেওঁ দৃঢ়মনা। নাট্যকাৰে চন্দ্ৰধৰৰ মনৰ দৃঢ়তা প্ৰকাশ কৰিবলৈ চৰিত্ৰটোৰ মুখত দিয়া সংলাপ এনেধৰণৰ —

চন্দ্ৰধৰ ঃ জীয়াই থাকো মানে মোৰ এয়েই পণ।
যিয়ে পূজিব পদ্মাক শাস্তি দিম নিৰ্মম।।
লগ পালে তাইক সন্মুখত মোৰ।
দিম তাইকো শাস্তি দুৰ্ঘোৰ।।

— *লুইত কন্যা*, প্ৰথম অংক, পৃষ্ঠা নং ৬৬

সংলাপে চৰিত্ৰৰ মানসিক অন্তৰ্দ্বন্দ্বক প্ৰাণৱন্ত কৰি তোলে। **লুইত কন্যা** নাটকত দুখাত্মক সংলাপে সময়ে সময়ে দৰ্শকক ব্যথিত কৰিছে। উদাহৰণস্বৰূপে বেউলাৰ মুখৰ এই সংলাপফাকিকে ল'ব পাৰো —

বেউলা ঃ সাহেৰ জীয়ৰী, চন্দ্ৰধৰৰ বোৱাৰী মই বেউলা। মোৰ
জীৱনলৈ নামি আহিছে ঘোৰ অন্ধকাৰ। ফুলশয্যাৰ ৰাতি
কালসৰ্পই দংশন কৰি মাৰিলে মোৰ স্বামীক। অকালতে
সাবটি ল'লো এই নিদাৰুণ বৈধব্য যন্ত্ৰণা। তুমি মোক কিবা
উপায় দিয়া।

— *লুইত কন্যা*, তৃতীয় অংক, পৃষ্ঠা নং ৮২

আকৌ বেউলাৰ মুখৰ এই সংলাপটি এনেধৰণৰ —

বেউলা ঃ হেৰুৱালো শিৰৰ সেন্দূৰ ফুলশয্যাৰ ৰাতি।
স্বামীৰ জীৱন দিয়া তুমি প্ৰভু কৈলাসপতি।।

— *লুইত কন্যা*, তৃতীয় অংক, পৃষ্ঠা নং ৮৩

চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু গাম্ভীৰ্য ৰক্ষা কৰে সংলাপে। **লুইত কন্যা** নাটকখনত চৰিত্ৰসমূহৰ মুখত যথোপযুক্ত সংলাপ সংযোজন কৰি সামাজিক আৰু লৌকিক বাতাবৰণ সৃষ্টি কৰাত নাট্যকাৰ সফল হৈছে। চন্দ্ৰধৰ ৰজা, গতিকে তেওঁৰ মুখত ৰাজকীয় আৰু গাম্ভীৰ্যপূৰ্ণ সংলাপ প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে —

চন্দ্ৰধৰ ঃ আৰু শুনা প্ৰজাগণ,
মোৰ ৰাজ্যত নহ'ব মাৰি-মৰক, নহ'ব দুৰ্যোগ
অনাটন, সদায় থাকিবা সুখত। মাথোঁ —
পূজিবা নিতৌ আই চণ্ডীক।

— *লুইত কন্যা*, প্ৰথম অংক, পৃষ্ঠা নং ৬২

যুগে যুগে বেউলাক আমাৰ সমাজত সতী হিচাপে জ্ঞান কৰি অহা হৈছে। বেউলাৰ প্ৰতি থকা সৰ্ব সাধাৰণৰ ধ্যান-ধাৰণা নাট্যকাৰে **লুইত কন্যা** নাটকৰ সংলাপতো অটুট ৰাখিছে। উদাহৰণস্বৰূপে বেউলাই কোৱা এই কথাষাৰকে ল'ব পাৰো —

বেউলা ঃ যদি বেউলা হওঁ সতী সাহসেৰে জীয়াম পতি
ন্যায়েৰে জিনিম মনসা।
হৰুৱাম বিষহৰিআনিম আপোন স্বামী তৰি
এই সংকল্প কৰিলো ঘোষণা।।

— *লুইত কন্যা*, দ্বিতীয় অংক, পৃষ্ঠা নং ৭৯-৮০

নাটকখনৰ প্ৰথম আৰু দ্বিতীয় যুৱক দুজন সাধাৰণ ল'ৰা। সেয়েহে তেওঁলোকৰ মুখত নিম্নস্তৰৰ ভাষা দিছে। প্ৰথম আৰু দ্বিতীয় যুৱকে পদ্মা আৰু নেতাক দেখি কৈছে —

১ম যুৱক ঃ বন্ধু, চোৱা সেই দুজনী সুন্দৰী গাভৰু এইফালে আহিব ধৰিছে।
২য় যুৱক ঃ ক'তহে ক'ত? আমাৰ কপালত গাভৰু? নাই নাই হ'ব নোৱাৰে।

— *লুইত কন্যা*, প্ৰথম অংক, পৃষ্ঠা নং ৬৩

নাটকখনৰ বৰ্জিত ভাষাই ছন্দ লয়ৰ মাজেৰে অসমীয়া পৌৰাণিক ভাষাক স্পৰ্শ কৰাৰ চেষ্টা কৰিছে। অৱশ্যে মাজে মাজে আধুনিক অসমীয়া ভাষাইও চৰিত্ৰৰ মুখত স্থান নোপোৱাকৈ থকা নাই। যেনে —

২য় যুৱক ঃ নিশ্চয় শিকিছো। সহায়হীনা নাৰীক কেনে ব্যৱহাৰ কৰিব
লাগে আমি ভালদৰে জানো।

— *লুইত কন্যা*, প্ৰথম অংক, পৃষ্ঠা নং ৬৪



বেউলা-লখিন্দৰ ঃ সেই সহানুভূতিশীল জনমানসক নেওচি আমি আৰু
সৰগলৈ নাযাওঁ।

— *লুইত কন্যা*, তৃতীয় অংক, পৃষ্ঠা নং ৮৭

নাটকখনত পদ্মাৰ মুখত পূৰ্ব প্ৰচলিত কাণী, যেংখাইতী আদি শব্দ ব্যৱহৃত হৈছে। তদুপৰি নাট্যকাৰে গাই বাই চা, কালৰো কাল বিপৰীত কাল, হৰিণাই চেলেকে বাঘৰ গাল, দুই ম'হৰ যুঁজ লাগে মাজতে বিৰিণা মৰে আদি খণ্ডবাক্য, জতুৱা ঠাঁচবো প্ৰয়োগ কৰিছে।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে, **লুইত কন্যা** নাটকখনৰ বিষয়বস্তু পদ্মপুৰাণৰ পৰা লোৱা হৈছে। পৌৰাণিক আখ্যানৰ পৰা লোৱা কাহিনী হিচাপে নাটকখনৰ বিষয়বস্তুত কোনো নতুনত্ব নাই। ইয়াৰ আগতেও অতুল চন্দ্ৰ হাজৰিকাই একে আখ্যানক লৈ নাটক ৰচনা কৰিছে।

বেউলা-লখিন্দৰৰ আখ্যানৰ আলমত ৰচিত **লুইত কন্যা** নাটকখনৰ নামকৰণে এটি বিশেষ অৰ্থ বহন কৰিছে। লুইত বা ব্ৰহ্মপুত্ৰ অসমৰ জনজীৱনৰ প্ৰাণ, আয়ুস ৰেখা। শস্য-শ্যামলা সেউজ পাহাৰৰ মাজেৰে বৈ যোৱা বিশাল ব্ৰহ্মপুত্ৰ অবিহনে অসমৰ অস্তিত্ব শূন্য। লখিন্দৰৰ সৰ্প দংশনত মৃত্যুৰ পিছত বেউলাই স্বামীৰ মৃতদেহটোক লৈ ভূৰেৰে উজাই গৈছিল কৈলাশপুৰলৈ। লখিন্দৰে পুনৰ জীৱন লাভ কৰাৰ পিছত দেৱী পদ্মাই বেউলা-লখিন্দৰৰ পূৰ্ব জন্মৰ কথা সোঁৱৰাই দি স্বৰ্গলৈ উভতি যাবলৈ কোৱাত বেউলাই পদ্মাৰ সেই আহ্বান অস্বীকাৰ কৰে। বেউলাই লখিন্দৰৰ সৈতে লুইতৰ পাৰৰ সহজ-সৰল জনসমাজৰ মাজত থাকি জীৱন অতিবাহিত কৰাৰ সিদ্ধান্ত লয়। নিজৰ মনৰ ভাব ব্যক্ত কৰি দেৱী পদ্মাৰ আগত বেউলাই কৈছে —

বেউলা ঃ এই পৃথিৱীত আমাৰ সুখৰ বাবে শত-সহস্ৰ নৰ-নাৰীয়ে আমাৰ
বাবে সকলো কষ্ট স্বীকাৰ কৰিছে। সেই সহানুভূতিশীলা
জনমানসক নেওচি আমি আৰু সৰগলৈ নাযাওঁ। মাটিৰ
পৃথিৱীতে থাকি দিন নিয়াম।

— *লুইত কন্যা*, তৃতীয় অংক, পৃষ্ঠা নং ৮৭

**লুইত কন্যা** নাটকখনত বেউলাৰ মুখত দিয়া শেষৰ এই সংলাপফাকিতে অসমৰ মাটি-পানী, জনজীৱনক ভালপোৱাৰ কথা স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে আৰু নাটকখনৰ নামকৰণৰ গূঢ়াৰ্থও ইয়াতে লুকাই আছে।

আৰম্ভণিতে উল্লেখ কৰি অহা হৈছে **লুইত কন্যা** নাটকখনত ওজাপালিৰ

গীতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। নাট্যকাৰদ্বয়ে ওজাপালিৰ উপৰি অসমৰ থলুৱা লোককলা-লোকনাট্য অনুষ্ঠান যেনে— দেওধনী নৃত্য, নাগাৰা নাম, বিয়াগীত, বিহুগীতৰ নৃত্যৰ প্ৰয়োগ কৰিছে। কুৰি শতিকাৰ আশী দশকৰ পৰা অসমৰ থলুৱা লোককলা-লোকনাট্যৰ আংগিকেৰে নাটক মঞ্চস্থ কৰাৰ যি প্ৰৱণতা নাট্যকাৰসকলৰ মাজত গঢ় লৈ উঠিল সেইসকলৰ ভিতৰত কৰুণা ডেকা অন্যতম। **লুইত কন্যাৰ** উপৰি তেওঁৰ **শুনা শুনা সভাসদ, চং, নিৰ্মম পৰ্ব** লোকনাট্যধৰ্মী নাটক। নিঃসন্দেহে **লুইত কন্যা** নাটকখনত ওজাপালিৰ আংগিকৰ প্ৰয়োগ প্ৰশংসনীয়। কিন্তু নাটকখন পঢ়িলে ভাব হয় এই আংগিকৰ মাত্ৰাধিক্য প্ৰয়োগে কাহিনীৰ গতিত স্থবিৰতা অনাৰ সম্ভাৱনা অধিক। ❑❑